**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-12-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

***:::::::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন আজি নতুন দিল্লীৰ হায়দৰাবাদ হাউছত বৈঠকত মিলিত হয়।

২। ভাৰত আৰু ৰাছিয়াই আজি প্ৰতিৰক্ষা, বাণিজ্য, অৰ্থনীতিকে ধৰি কেইবাখনো দ্বিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰে।

৩। লোকসভাত আজি স্বাস্থ্য সুৰক্ষাৰ পৰা ৰাষ্ট্ৰীয় সুৰক্ষা উপ কৰ বিধেয়ক ২০২৫ গৃহীত হয়।

৪। ভাৰতীয় ৰিজাৰ্ভ বেংকে আজি ৰেপ' ৰেট হ্ৰাস কৰি ৫ দশমিক ২ - ৫ শতাংশ কৰিছে। ***আৰু***

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল কাইলৈ বিশাখাপট্টনমত অনুষ্ঠিত হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিন আজি নতুন দিল্লীৰ হায়দৰাবাদ হাউছত বৈঠকত মিলিত হয়। দুয়োগৰাকী নেতাই পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভত আলোচনা কৰে। এই আলোচনাকালত বাণিজ্য, অৰ্থনীতি, স্বাস্থ্য যতন, শিক্ষা, সংস্কৃতিকে ধৰি বিভিন্ন খণ্ডত কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ হয়।

দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়া নতুন দিল্লীৰ বিমান বন্দৰত আদৰণি জনায়। আজি পুৱা ৰাষ্ট্ৰপতি ভৱনত পুটিনক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পাছত তেওঁ ৰাজঘাটত মহাত্মা গান্ধীৰ সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজি সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে ভোজমেলৰ আয়োজন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে আজি ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব।

উল্লেখযোগ্য যে এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ বিশেষ আৰু কৌশলগত অংশীদাৰিত্বক শক্তিশালী কৰাৰ লগতে দুয়োগৰাকী নেতাক দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰ সন্দৰ্ভত পৰ্যালোচনাৰ সুযোগ প্ৰদান কৰিব।

ৰাষ্ট্ৰসংঘ, জি-২০, ব্ৰিকছ আৰু ছাংহাই সহযোগিতা সংস্থা আদিৰ দৰে কেইবাটাও বহুপাক্ষিক মঞ্চত ভাৰত আৰু ৰাছিয়াই সহযোগিতা স্থাপন কৰে। ২০২৩ চনত জি-২০ আৰু ছাংহাই সহযোগিতা সংস্থাক ভাৰতক সভাপতিত্ব তথা ২০২৪ বৰ্ষত ব্ৰিকছত ৰাছিয়াৰ সভাপতিত্বই দুয়োখন দেশৰ মাজত থকা পাৰস্পৰিক সমৰ্থনৰ জৰিয়তে এই সহযোগিতা অধিক শক্তিশালী হৈ উঠিছে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য পদৰ বাবে ভাৰতৰ প্ৰাৰ্থিত্বৰ প্ৰতি ৰাছিয়াই ধাৰাবাহিকভাৱে সমৰ্থন আগবঢ়াই আহিছে। বিগত ৭৮ বছৰত দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় আৰু সুস্থিৰ হৈ আছে। পৰম্পৰাগত সামৰিক,

পাৰমাণৱিক আৰু মহাকাশ সহযোগিতাৰ উপৰিও বিভিন্ন খণ্ডত দুয়োখন দেশৰ মাজত শক্তিশালী সহযোগিতা অব্যাহত আছে।

০০০০

ভাৰত আৰু ৰাছিয়াই আজি প্ৰতিৰক্ষা, বাণিজ্য, অৰ্থনীতি, শিক্ষা, স্বাস্থ্যসেৱা, সংস্কৃতি আৰু সংবাদমাধ্যমৰ সৈতে জড়িত কেইবাখনো চুক্তিত স্বাক্ষৰ কৰে। নতুন দিল্লীত অনুষ্ঠিত ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুটীয়াভাৱে সংবাদমাধ্যমক সম্বোধন কৰি কয় যে, ৰাষ্ট্ৰপতি পুটিনৰ এই ভ্ৰমণৰ সময়তে দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্কই ঐতিহাসিক ক্ষণত উপনীত হৈছে। তেওঁ কয় যে যোৱা ১০ বছৰত বিশ্বই বহু উত্থান-পতন দেখিছে আৰু এই সকলোবোৰতে ভাৰত-ৰাছিয়াৰ সম্পৰ্ক অধিক সফল হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে দুয়োখন দেশে সহযোগিতাৰে ইউৰীয়া উৎপাদন কৰিব। তেওঁ আৰু কয়, যে ৰাষ্ট্ৰপতি পুটিনে প্ৰায় ২৫ বছৰ আগতে কৌশলগত অংশীদাৰিত্বৰ ভেটি স্থাপন কৰিছিল। তেওঁ লগতে কয়, যে ২০১০ চনত এই অংশীদাৰিত্ব বিশেষ কৌশলগত অংশীদাৰিত্বলৈ উন্নীত কৰা হৈছিল। বৈঠকৰ সময়ত দুয়োগৰাকী নেতাই ২০৩০ চনলৈকে ভাৰত ৰাছিয়াৰ অৰ্থনৈতিক সহযোগিতাৰ কৌশলগত ক্ষেত্ৰসমূহ উন্নয়নৰ বাবে কাৰ্যসূচী গ্ৰহণ কৰে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতি পৰ্যালোচনা কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থৰ আঞ্চলিক আৰু বিশ্বব্যাপি বিষয়সমূহৰ ওপৰতো মত বিনিময় কৰে। ০০০০

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত অহা ৯ ডিচেম্বৰত কুশলী কাৰিকৰসকলক হস্তশিল্প বঁটা প্ৰদান কৰিব। অনুষ্ঠানত কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং আৰু ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকিব। বস্ত্ৰ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে হস্তশিল্পৰ কাৰিকৰসকলৰ অসামান্য প্ৰতিভাক স্বীকৃতি দিয়াৰ হকে এই বঁটা প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে দেশৰ বৰ্ণাঢ্য হস্তশিল্পৰ ঐতিহ্যক সংৰক্ষণ আৰু প্ৰসাৰৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক পুনৰ নিশ্চিত কৰা হ'ব। ৰাষ্ট্ৰীয় হস্তশিল্প সপ্তাহ উদযাপনৰ অংশ হিচাপে এই বঁটা প্ৰদান কৰা হ'ব। ভাৰতীয় কাৰিকৰসকলৰ প্ৰতি সন্মান জনাই হস্তশিল্পৰ সাংস্কৃতিক ঐতিহ্যক উদযাপন কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে ৮ ডিচেম্বৰৰ পৰা ৰাষ্ট্ৰীয় হস্তশিল্প সপ্তাহ পালন কৰা হয়।

০০০০

দেশৰ ৰে'ল দুৰ্ঘটনাৰ সংখ্যা ৯০ শতাংশ হ্ৰাস হৈছে বুলি কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি প্ৰকাশ কৰিছে। তেওঁ কয়, যে ২০04 ৰ পৰা ২০14 চনৰ ভিতৰত ১৭১ টা ৰে'ল দুৰ্ঘটনা সংঘটিত হৈছিল। চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বাবে ৰে'ল দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস পোৱা বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। ৰাজ্যভাত এটা প্ৰশ্নৰ উত্তৰ দি শ্ৰীবৈষ্ণৱে কয় যে চৰকাৰে এই দুৰ্ঘটনাসমূহৰ কাৰণ জানিবলৈ অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰু দুৰ্ঘটনা হ্ৰাস কৰিবলৈ বিভিন্ন ধৰণৰ পদ্ধতি গ্ৰহণ কৰিছে। তেওঁ কয়, যে কবচ নামৰ থলুৱা স্বয়ংক্ৰীয় ৰে'ল সুৰক্ষা ব্যৱস্থাৰে ৰে'লৰ সংঘৰ্ষ দূৰ কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে।

০০০০

লোকসভাত আজি স্বাস্থ্য সুৰক্ষাৰ পৰা ৰাষ্ট্ৰীয় সুৰক্ষা উপ কৰ বিধেয়ক ২০২৫ গৃহীত হয়। এই বিধেয়কৰ লক্ষ্য হৈছে- পাণ মচলা আৰু ধপাতৰ পৰা উৎপাদিত সামগ্ৰীৰ ওপৰত আৰোপ কৰা উপকৰৰ পৰা আহৰণ কৰা ধন জনস্বাস্থ্য আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বাবে ব্যয় কৰা। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে এই বিধেয়ক সন্দৰ্ভত কয়, যে স্বাস্থ্যৰ বাবে ক্ষতিকাৰক সামগ্ৰীৰ ব্যৱহাৰ চৰকাৰে হ্ৰাস কৰিব

বিচাৰে। জনস্বাস্থ্য ৰাজ্যিক বিষয় হোৱাৰ বিপৰীতে দেশৰ প্ৰতিৰক্ষা ব্যৱস্থা কেন্দ্ৰৰ দায়িত্ব বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমতী সীতাৰমণে লগতে কয়, যে প্ৰত্যাহ্বান সমূহৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰতিৰক্ষা বাহিনীৰ আধুনিকীকৰণৰ বাবে অধিক সম্পদ সংগ্ৰহতো এই উপকৰ ব্যৱস্থা সহায়ক হ'ব।

০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকে আজি ৰেপ' ৰেট হ্ৰাস কৰি ৫ দশমিক ২ - ৫ শতাংশ কৰিছে। ফলস্বৰূপে এছ্ ডি এফৰ হাৰ ৫ শতাংশ আনহাতে এম এছ্ এফৰ হাৰ ৫ দশমিক ৫ শতাংশ নিৰ্ধাৰণ কৰিছে। আজি মুম্বাইত ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ সঞ্জয় মালহোত্ৰাই কয় যে মুদ্ৰানীতি সমিতিয়ে সৰ্বসন্মতিক্ৰমে ৰেপ' ৰেট হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তেওঁ আৰু কয় যে আৰ বি আইয়ে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ জি ডি পি বৃদ্ধিৰ অনুমান পূৰ্বৰ ৬ দশমিক ৮ শতাংশৰ পৰা ৭ দশমিক ৩ শতাংশলৈ বৃদ্ধি কৰিছে। আৰ বি আইয়ে চলিত বিত্তীয় বৰ্ষৰ বাবে মুদ্ৰাস্ফীতিৰ পুৰ্বানুমান ২ দশমিক ৬ শতাংশৰ পৰা ২ শতাংশলৈ হ্ৰাস কৰিছে। ভাৰতীয় ৰপ্তানী সংস্থাসমূহৰ উমৈহতীয়া সংগঠনেও আজি ৰিজাৰ্ভ বেংকৰ এই সিদ্ধান্তক আদৰণি জনায়।

০০০০

ইণ্ডিগ' এয়াৰলাইন্সৰ পাইলটসকলৰ অসহযোগিতাকে ধৰি বিভিন্ন কাৰণত আজিও সমগ্ৰ দেশতে পৰিবহণ সংস্থাটোৰ বিমান সেৱা বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। অৱশ্যে ইণ্ডিগ' কৰ্তৃপক্ষই তেওঁলোকৰ বিমানসমূহৰ যাত্ৰা বাতিল অথবা সময়সূচী সলনি সম্পৰ্কত কোনো আগতীয়া তথ্য প্ৰকাশ নকৰাৰ বাবে বিমানবন্দৰত আজিও বিশৃংখলতাৰ সৃষ্টি হয়। অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে পাইলটসকলৰ উৰণৰ আৰু জিৰণিৰ সময়সীমা নতুনকৈ নিৰ্ধাৰণ কৰাৰ ফলত দেশৰ সৰ্ববৃহৎ বিমান পৰিবহণ সংস্থাটোৰ বিমান পৰিচালনাৰ ক্ষেত্ৰত এনে বিসংগতিৰ সৃষ্টি হৈছে।

ইণ্ডিগ'ৰ এই অব্যৱস্থাৰ প্ৰসংগটো আজি সংসদৰ মজিয়াতো উত্থাপিত হয়। আজি ৰাজ্যসভাত শূন্যকালত কংগ্ৰেছৰ প্ৰমোদ তিৱাৰী আৰু শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ প্ৰিয়ংকা চতুৰ্বেদীয়ে সমগ্ৰ বিষয়টো সন্দৰ্ভত অসামৰিক বিমান পৰিবহণ মন্ত্ৰীৰ পৰা এটা বিবৃতি দাবী কৰে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সদস্যসকলক এই বিষয়ত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস দিয়ে।

ইপিনে অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে ইণ্ডিগ' এয়াৰ লাইন্সৰৰ বিমানৰ বাতিলকৰণ আৰু অস্বাভাৱিক বিলম্বৰ বিষয়টো অহৰহভাৱে নিৰীক্ষণ কৰাৰ বাবে তেওঁৰ মন্ত্ৰ্যালয়ত স্থাপন কৰা নিয়ন্ত্ৰণ কক্ষত আজি নিজেও পৰিস্থিতিৰ পৰ্যালোচনা কৰে। দেশৰ সকলো বিমানবন্দৰতে ইণ্ডিগ'ৰ বিমান সেৱা সময়মতে সম্পন্ন হোৱাৰ বাবে আগতীয়া ব্যৱস্থা গ্ৰহণ কৰিবলৈকো মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট সকলো পক্ষক নিৰ্দেশ দিছে।

০০০০

যিসকল ব্যক্তিয়ে উমিদ পোৰ্টেলত এতিয়াও ৱাক্ফ সম্পত্তিৰ পঞ্জীয়ন কৰা নাই তেওঁলোকৰ বিৰুদ্ধে সমাগত ৩ মাহত চৰকাৰে কোনো ধৰণৰ কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰে। কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি নতুন দিল্লীত সংবাদমাধ্যমৰ আগত এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ৱাক্ফ সম্পত্তিৰ পঞ্জীয়নৰ বাবে আজি অন্তিম দিন আছিল যদিও এই পৰ্যন্ত বহু লাখ সম্পত্তি পঞ্জীয়ন কৰা হোৱা নাই। সংসদৰ কেইবাগৰাকীও সদস্য আৰু জনগোষ্ঠীয় প্ৰতিনিধিয়ে অতিৰিক্ত সময়ৰ অনুৰোধ কৰাক

কেন্দ্ৰ কৰি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে এই পৰ্যন্ত উমিদ পোৰ্টেলত এক লাখ ৫১ হাজাৰতকৈ অধিক ৱাক্‌ফ সম্পত্তি পঞ্জীয়নভুক্ত হৈছে।

oooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল কাইলৈ বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। খেলখন দিনৰ এক বাজি ৩০ মিনিটত আৰম্ভ হ'ব। দুয়োটা দলে ইতিমধ্যে শৃংখলাটোত ১-১ৰ সমতা স্থাপন কৰিছে। দুয়োটা দলে কাইলৈ শৃংখলাটো দখলৰ বাবে আপ্ৰাণ চেষ্টা চলাব।

oooo

ঃঃ সমাপ্ত ঃঃ